Bima Bemisaal




# ৰঞ্জন আৰু বীমাৰ সৈতে তেওঁৰ সংযোগ

## উপভোক্তাৰ বাবে শিক্ষাৰ এক অনুক্ৰম


(Assamese)

# সূচীপত্ৰ


| | পৃষ্ঠা |
|---|---|
| ৰঞ্জনে ইন্সিওৰেন্স ওমবাড্‌জমেনৰ সন্ধান পালে | 1 |
| বীমা বেমিচাল ৰঞ্জনে মটৰ ইন্সিওৰেন্সৰ কথা ভাবিলে | 2 |
| বীমা বেমিচাল ৰঞ্জনে ইউলিপৰ বিষয়ে অধিক শিকিলে | 3 |
| বীমা বেমিচাল ৰঞ্জনে উপলব্ধি কৰিলে যে সাধুতাই মহৎ গুণ | 4 |
| ৰঞ্জনে "আওাৰইন্সিওৰেন্স" কি বুজি পালে | 5 |
| ৰঞ্জনে এতিয়া তেওঁৰ হেল্‌থ ইন্সিওৰেন্স পলিচি প'ৰ্ট (বহন) কৰিব পাৰে | 6 |
| ৰঞ্জনে ফ্ৰী লুক পিৰিয়দৰ বিষয়ে শিকিলে | 7 |
| ৰঞ্জনে প্ৰস্তাৱ প্ৰপত্ৰ পূৰালে | 8 |
| ৰঞ্জনে লাইচেন্স্‌ড ইন্টাৰমিডিয়েৰিৰ বিষয়ে জানিলে | 9 |
| ৰঞ্জনে চাৰ্ভেয়ৰৰ বিষয়ে জানিলে | 10 |
| ৰঞ্জন টেক চে'ভী হ'ল | 11 |
| ৰঞ্জনে কেশ্বলেছ চাৰ্ভিচৰ বিষয়ে জানিলে | 12 |



Bima Bemisaal
আই আৰ ডী এ
irda
ৰঞ্জনে ইঞ্চিওৰেন্স ওমবাড্জমেনৰ সন্ধান পালে
ৰঞ্জনে যোৱা 7 বছৰ ধৰি তেওঁৰ নিজৰ তথা পৰিয়ালৰ বাবে এটা স্বাস্থ্য বীমা পলিচি কৰি থৈছে আৰু এতিয়ালৈকে কোনো দাবী কৰা নাই। ৰঞ্জনৰ দেউতাক এজন 60 বছৰীয়া অৱসৰপ্ৰাপ্ত পেঞ্চনাৰ যাৰ এটা কেটেৰেক্ট অপাৰেশ্যন (চকুৰ ছানিৰ অস্ত্ৰোপচাৰ) ৰ প্ৰয়োজন হৈছে। যদিও তেওঁৰ নগদবিহীন সুবিধা (কেশ্ব্লেছ ফেচিলিটি) ৰ অনুৰোধ থাৰ্ড পাৰ্টি এডমিনিষ্ট্ৰেটৰে মানি লৈছে, পৰিমাণটো ব্যয়ৰ মূল্য নিৰূপণ টকা 40,000 ৰ বিপৰীতে টকা 20,000 হে সীমাৱদ্ধ কৰিছে। এই পৰিমাণ সংশোধন কৰাৰ বাবে ৰঞ্জনৰ সকলো চেষ্টা অথলে গ'ল।
শৰ্মা ডাঙৰীয়া, মই টকা 40,000 ব্যয়ৰ আৱশ্যকীয় নথিপত্ৰ জমা দিয়াৰ পিছতো কিয় কেৱল টকা 20,000-ৰ হে নগদবিহীন সুবিধা দিয়া হৈছে
অনুগ্ৰহ কৰি এক মিনিট ৰওকচোন
ৰঞ্জন ডাঙৰীয়া, আপোনাৰ পলিচিত কেটেৰেক্ট অপাৰেশ্যনৰ বাবে টকা 20,000-ৰ এটা উপ-সীমা আছে আৰু সেয়েহে আপোনাৰ দাবী সেইটো পৰিমাণতে সীমাৱদ্ধ কৰা হৈছে
কিন্তু পলিচি নথিপত্ৰত সেইটো কথাৰ উল্লেখ নাই
কিন্তু ক্ষমা কৰিব চাৰ, সেইবোৰ নিয়ম এতিয়া বলবৎ হৈ আছে
ৰঞ্জনে নিৰাশ হৈ তেওঁৰ বন্ধু মোহনৰ সৈতে আলোচনা কৰিলে। মোহনে আগতে বীমা কোম্পানীৰ সৈতে লেনদেন কৰিছে।
মোৰ পলিচি নথিপত্ৰত এই নিৰ্দিষ্ট দফা সন্নিবিষ্ট নাই... এনে এটা উপ-সীমাৰ ধাৰণা মোৰ নাছিল... মই আশা কৰিছিলো যে বীমা কোম্পানীটোৱে বিল জমা দিলে টকা 20,000 ঘূৰাই দিব।
শুনা, প্ৰথমে বীমা কোম্পানীৰ অভিযোগ কক্ষত এটা গোচৰ পঞ্জীয়ন কৰা। যদি তুমি 30 দিনৰ ভিতৰত তেওঁলোকৰ পৰা কোনো সঁহাৰি নোপোৱা তেন্তে ইঞ্চিওৰেন্স ওমবাড্জমেনৰ ওচৰলৈ যাবা।
ৰঞ্জন বীমাকৰ্তাৰ ওচৰলৈ গ'ল কিন্তু কোম্পানীয়ে ইয়াৰ সিদ্ধান্তত অটল হৈ থাকিল। তেতিয়া তেওঁ ইঞ্চিওৰেন্স ওমবাড্জমেনৰ ওচৰলৈ গ'ল যি গম পালে যে ৰঞ্জনক সেই নিৰ্দিষ্ট পলিচি দফাটো দিয়া হোৱা নাছিল। যিহেতু ৰঞ্জনৰ পলিচিত পৰ্য্যাপ্ত চাম ইঞ্চিয়ৰদ আছিল আৰু চকুৰ ছানিৰ শল্যচিকিৎসাৰ ব্যয়ৰ বিষয়ে কোনো সীমাৱদ্ধতাৰ কথা জনোৱা হোৱা নাছিল, ইঞ্চিওৰেন্স ওমবাড্জমেনে ঘোষণা কৰিলে যে ৰঞ্জনে টকা 40,000-ৰ সম্পূৰ্ণ পৰিমাণ পোৱা উচিত।
মনত ৰাখিব, ইঞ্চিওৰেন্স ওমবাড্জমেনে এনে ধৰণৰ অভিযোগ লয় আৰু মীমাংসা কৰে! আপুনি www.gbic.co.in বা www.irda.gov.in- ৰ পৰা ইঞ্চিওৰেন্স ওমবাড্জমেনৰ বিষয়ে অধিক জাননী পাব পাৰে।


Bima Bemisaal
আই আৰ ডী এ
irda
বীমা বেমিচাল ৰঞ্জনে মটৰ ইঞ্চিওৰেন্সৰ কথা ভাবিলে
ৰঞ্জন হৈছে এজন বিশ্বাসযোগ্য তথা আইন মানি চলা গাড়ীৰ চালক। সচৰাচৰ দৰে আজি ৰাতিপুৱাও তেওঁ কামলৈ ওলাই গৈছিল। তেওঁ কাৰ্য্যলয়লৈ বুলি কেঁকুৰিটো ঘূৰোতেই এজন বাইক চালকে সৰু বাটটোত কাটি দিলে। ৰঞ্জনৰ উপস্থিত বুদ্ধি আৰু ভাগ্য ভাল হোৱা হেতুকে তেওঁ সময়মতে ব্ৰেইক মাৰি এটা ডাঙৰ দুৰ্ঘটনাৰ পৰা ৰক্ষা পালে। তেওঁ কাৰ্য্যালয়ত সোমায়ে একো অঘটন নঘটাৰ বাবে ভগৱানক ধন্যবাদ জনালে। একে সময়তে তেওঁৰ মনলৈ এটা ভাব আহিল। ৰঞ্জনে ভাবিলে যে এই দুৰ্ঘটনা হোৱা হ'লে যদি কোনো ক্ষতিপূৰণ দিবলগীয়া হ'লহেঁতেন তেন্তে সেইবোৰ ক'ৰ পৰা দিলেহেঁতেন? তেওঁৰ বীমা পলিচিনো ক'ত? ই বৈধ হৈ আছে নে? তেওঁ নথিপত্ৰ বিলাক বিচাৰিলে কিন্তু কোনো মটৰ বীমা পলিচিটো নেপালে।
সুপ্ৰভাত ৰবি! তুমি অকণমান সময় মোক দিব পাৰিবানে?
নিশ্চয়, কিবা জৰুৰী নেকি? তোমাক চিন্তিত যেন লাগিছে। সকলো ঠিকেই আছেতো?
ৰঞ্জন আৰু ৰবিয়ে অনৰ্গল কথা পাতিলে। ৰঞ্জনে ৰবিক ৰাতিপুৱাৰ ঘটনাটো ক'লে আৰু এইটোও জনালে যে হয়তো তেওঁৰ বৈধ বীমা পলিচি নাই। তেওঁৰ মনতে নাই যে দুবছৰ মানৰ আগেয়ে তেওঁ গাড়ীখন কিনোতে লোৱা পলিচিটো নৱীকৰণ কৰিলে নে নাই?
ভগৱানক ধন্যবাদ যে মই সময়মতে ব্ৰেইক মাৰিলো। মই ভাবিবই নোৱাৰো যে মই বাইকখন খুন্দিওৱা হ'লে কি যে হ'লহেঁতেন? মই এটা নতুন বীমা পলিচি ল'ব পাৰিম নে?
তোমাৰ এইবাৰলৈ কিবা ভাগ্য ভাল আছিল। ৰঞ্জন, তুমি থাৰ্ড পাৰ্টি মটৰ ইঞ্চিওৰেন্সৰ অবিহনে গাড়ী চলাব নোৱাৰা। এইটো আইন বিৰোধী। যদি তোমাৰ আগৰ পলিচিটো বৈধ নহয় তেন্তে তুমি ততালিকে এটা পলিচি লোৱা উচিত। আৰু সময় নষ্ট নকৰাকৈ তোমাৰ এজেন্টৰ সৈতে যোগাযোগ কৰা। মটৰ ইঞ্চিওৰেন্স কম্প্ৰিহেন্সিভ পলিচিও সহজলভ্য য'ত নিজকে থাৰ্ড পাৰ্টি লায়েবিলিটিৰ বিপৰীতে কভাৰ কৰাৰ উপৰিও তুমি তোমাৰ বাহনখন ক্ষতি বা হানি হোৱাৰ বিপৰীতেও কভাৰ কৰিব পাৰা।
ধন্যবাদ ৰবি, মোৰ বীমা সময়মতে নৱীকৰণ কৰি অবিৰামভাৱে বৈধ কৰি ৰাখিবৰ বাবে সদায় মনত ৰাখিম। মই কম্প্ৰিহেন্সিভ পলিচিৰ বিষয়েও জাননী ল'ম।
আপুনি যদি এখন বাহনৰ গৰাকী, তেন্তে বাহনখন চলোৱাৰ পূৰ্বে এইটো নিশ্চিত কৰা প্ৰয়োজন যে আপুনি থাৰ্ড পাৰ্টি ইঞ্চিওৰেন্সৰ বিপৰীতে নিজকে কভাৰ কৰিছে। মটৰ ভেহিক'ল এক্ট অনুসৰি থাৰ্ড পাৰ্টি মটৰ ইঞ্চিওৰেন্স হৈছে বাধ্যতামূলক।

Bima Bemisaal

# বীমা বেমিচাল ৰঞ্জনে ইউলিপৰ বিষয়ে অধিক শিকিলে


ৰঞ্জনে হঠাতে উপলব্ধি কৰিলে যে তেওঁ তৎক্ষণাত বিচাৰি পোৱা ঘৰ এটা কিনিবলৈ তেওঁক ধনৰ প্ৰয়োজন। তেওঁ নিজৰ সম্পত্তিখিনি চাই গম পালে যে থ বীমা কোম্পানীৰ সৈতে তেওঁৰ এটা ইউনিট লিংকড ইঞ্চিওৰেন্স পলিচি (ইউলিপ) আছে। তেওঁ এইটো সমৰ্পণ কৰি তেওঁৰ ধনখিনি ঘূৰাই লোৱাৰ সিদ্ধান্ত লয়। তেওঁ বীমা কোম্পানীটোলৈ লিখে আৰু ইয়াৰ লগত কথাও পাতে।









Bima Bemisaal
বীমা বেমিচাল ৰঞ্জনে উপলব্ধি কৰিলে যে সাধুতাই মহৎ গুণ
ৰঞ্জনৰ পিতৃ-মাতৃৰ বয়স হৈ অহাৰ লগে লগে তেওঁলোকক সঘনে চিকিৎসালয়ত ভৰ্ত্তি কৰিবলগীয়া হোৱাৰ বাবে তেওঁ চিন্তিত হৈ পৰিছে। প্ৰত্যেক বছৰে চিকিৎসনীয় ব্যয় তেওঁৰ বাবে খৰচৰ এটা প্ৰধান অংশ হৈ পৰিছে। তেওঁ বিল বিলাক কেনেকৈ পৰিশোধ কৰিব? ৰঞ্জনে এটা বিজ্ঞাপন দেখিলে যিটোত থুত্ত বীমা কোম্পানীয়ে জনসাধাৰণক ইয়াৰ স্বাস্থ্য বীমা পলিচি ক্ৰয় কৰিবলৈ অনুৰোধ জনাইছে। ৰঞ্জনে বীমা কোম্পানীটোৰ কাষ চাপিল। তেওঁক দেখি বিক্ৰেতা ব্যক্তিজন সুখী হ'ল তথা আৰু এটা পলিচি বিক্ৰী কৰিবলৈ ব্যগ্ৰ হৈ পৰিল।
চাৰ, এইয়া হৈছে প্ৰস্তাৱ প্ৰপত্ৰ, যি কোনো প্ৰতিকূল চিকিৎসনীয় ইতিবৃত্তৰ ক্ষেত্ৰত কৰিব লগীয়া চিকিৎসনীয় পৰীক্ষণৰ বাবে প্ৰপত্ৰ, আৰু বীমা উৎপাদনটোৰ প্ৰচপেক্টাচ।
ৰঞ্জনে বিস্তাৰিত চিকিৎসনীয় ৰিপ'ৰ্ট প্ৰপত্ৰ সমূহ পঢ়ি চালে। তেওঁলোকৰ প্ৰতিকূল চিকিৎসনীয় পৰ্য্যায়লৈ লক্ষ্য ৰাখি বোধহয় তেওঁৰ পিতৃ-মাতৃয়ে প্ৰায়বোৰ ৰোগৰ বাবে তৎক্ষণাত চিকিৎসনীয় কভাৰ নেপায় আৰু প্ৰচপেক্টাচত থকা মতে কভাৰেজ পাবৰ বাবে চাৰি বছৰ প্ৰতীক্ষা কৰিব লাগিব। এনে হ'লে তেওঁৰ কোনো লাভ নহ'ব। তদুপৰি, যদিও বীমা কোম্পানীটোৱে ব্যয় বহন কৰাত ইচ্ছুক হয় এই বিস্তৃত পৰীক্ষণ সমূহ কোনে কৰিব?
মোৰ পিতৃ-মাতৃ নি:সন্দেহে 60-ৰ দেওনাত, কিন্তু তেওঁলোকৰ স্বাস্থ্য এতিয়াও সুস্থ-সবল।
তেওঁলোকৰ যদি কোনো প্ৰতিকূল চিকিৎসনীয় ইতিবৃত্ত নাই, আপুনি এই বিষয়ে প্ৰস্তাৱ প্ৰপত্ৰত উল্লেখ কৰিব পাৰে আৰু তেওঁলোকে তেতিয়া কোনো চিকিৎসনীয় পৰীক্ষণ কৰাটো প্ৰয়োজন নহ'ব।
হয়... মই এটা সতৰ্কতামূলক ব্যৱস্থা হিচাপে তেওঁলোকক স্বাস্থ্য বীমা কভাৰ দিয়াৰ বিষয়ে সিদ্ধান্ত লৈছো।
সেইটো এটা খুবেই ভাল কথা চাৰ... ই ভৱিষ্যতে সদায়েই সহায় কৰিব।
তেওঁলোক দুয়ো চিকিৎসনীয়ভাৱে আৰোগ্য বুলি প্ৰস্তাৱ প্ৰপত্ৰবোৰ পূৰোৱা হ'ল। ইয়াকে জনোৱা হ'ল যে পূৰ্বৰ কোনো ইতিবৃত্ত নাই। দুৰ্ভাগ্যবশত: পৰৱৰ্তী দুমাহৰ ভিতৰত ৰঞ্জনৰ মাকক এটা হৃদৰোগজনিত সমস্যাৰ বাবে চিকিৎসালয়ত ভৰ্ত্তি কৰাব লগীয়া হ'ল। ৰঞ্জনে নগদবিহীন সুবিধাৰ বাবে বীমাকৰ্তাৰ থাৰ্ড পাৰ্টি এডমিনিষ্ট্ৰেটৰলৈ আবেদন কৰিলে। তেওঁ এইটো জানিব পাৰি হতভম্ব হ'ল যে টিপিএ-য়ে তেওঁৰ আবেদন নাকচ কৰিলে এইটো ভিত্তিত যে ৰোগটো এটা প্ৰি-এগ্‌জিষ্টিং ডিজীজ (পিইডি)।
কি ভিত্তিত ইয়াক আপুনি নাকচ কৰিব পাৰে? আপুনি প্ৰস্তাৱ প্ৰপত্ৰখন দেখা নাই নেকি ? ই স্পষ্ট ভাৱে দৰ্শায় যে তেওঁ স্বাস্থ্যৱতী তথা তেওঁ নিৰোগী।
কিন্তু চাৰ, তেওঁৰ ইতিমধ্যেই হৃদৰোগজনিত সমস্যাৰ এটা ইতিবৃত্ত আছে আৰু এডাল ষ্টেন্টো আছে। আমাৰ অন্বেষণে সেইটো স্পষ্ট ভাৱে দেখুৱাইছে।
ৰঞ্জন, আপুনি আপোনাৰ বিবৃতিটোত সঁচা নিলিখিলে কিয়? আপুনি কেনেকৈ ভাবি ল'লে যে সত্যতা লুকুৱাই থ'ব পাৰি ? লগতে মই আচৰিত হৈছো যে আপুনি তেওঁলোকৰ বাবে আগতে পৰিকল্পনা নকৰিলে। এতিয়া চাওকচোন, আপোনাৰেইটো ক্ষতি হ'ল। এই কোম্পানীয়ে এতিয়া ভৱিষ্যতৰ বাবেও কোনো কভাৰেজ নকৰিব।
মই সঁচায়ে লজ্জিত... মই এইটো নিশ্চিত কৰিম যে মই এনে কাম আকৌ দুনাই কেতিয়াও নকৰো। তোমাক ধন্যবাদ মোহন... সদায়ৰ দৰেই
প্ৰস্তাৱ প্ৰপত্ৰখন সত্যতাৰে পূৰাবলৈ আৰু প্ৰাসঙ্গিক সকলো জাননী দিবলৈ মনত ৰাখিব। এইটো নিশ্চিত কৰক যে আপুনি তৰুণ আৰু সঁচাকৈয়ে সুস্থ হৈ থাকোতেই স্বাস্থ্য বীমা লয়।



Bima Bemisaal
ৰঞ্জনে ‘‘আণ্ডাৰইন্সিওৰেন্স’’ কি বুজি পালে
বীমাৰ জড়িয়তে ৰঞ্জনে নিজকে আৰু তেওঁৰ পৰিয়ালক সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত বুদ্ধিমান হ’ল। মৃত্যু, অক্ষমতা আৰু বেমাৰৰ ক্ষতিশংকাৰ বিপৰীতে পৰ্য্যাপ্ত ভাৱে সুৰক্ষা লোৱাৰ পিছত তেওঁ এতিয়া এইটো নিশ্চিত কৰিব বিচাৰিছে যে তেওঁৰ ঘৰটো আৰু ইয়াৰ অন্তৰ্ভুক্ত বস্তু যিবোৰ বহুতো কষ্ট আৰু পৰিকল্পনাৰ জড়িয়তে ক্ৰয় কৰা হৈছে সেই আটাইবোৰ অগ্নি, বানপানী তথা জলপ্লাৱনৰ ক্ষতিশংকাৰ বিপৰীতে সুৰক্ষিত হয়। তেওঁৰ এজেন্টজন চতুৰ আৰু উপযুক্ত ব্যক্তি হোৱা বাবে তেওঁ ৰঞ্জনক তেওঁৰ সম্পত্তি অতিপাত যত্ন সহকাৰে তালিকাভুক্ত কৰি সঠিকভাৱে মূল্যাংকন কৰাৰ বাবে পৰামৰ্শ দিয়ে।
আপুনি পৰামৰ্শ দিয়া প্ৰক্ৰিয়াটো অত্যন্ত বিৰক্তিকৰ। মই তাতকৈ মোৰ সম্পত্তি এটা তদৰ্থক পৰিমাণৰ বাবে বীমা কৰিম যিহেতু মই নেভাবো যে মোৰ সম্পূৰ্ণ সম্পত্তিখিনি এটা সময়তেই নষ্ট বা হানি হ’ব পাৰে।
কিন্তু চাৰ, পলিচিটোৱে তেনেকৈ কাৰ্য্যৰূপ নিদিয়ে। মূল কথাটো হৈছে আপুনি আপোনাৰ সম্পত্তি অগ্নি তথা সংলগ্ন বিপৰ্য্যয়ৰ বিপৰীতে ইয়াৰ ৰিইনষ্টে টমেন্ট ভেল্যু (সম্পত্তিটো পুনৰায় কৰা ব্যয়কে অন্তৰ্ভুক্ত কৰি মূল্য) ত বীমা কৰিব পৰাটো অনিবাৰ্য্য যদি পলিচিয়ে সেইটো আপোনাক অনুমতি দিয়ে আৰু আপুনি সেইটো বিকল্প ল’ব বিচাৰে, বা মাৰ্কেট ভেল্যু য’ত ৰিইনষ্টে টমেন্ট ভেল্যুৰ পৰা মূল্যৰ অৱনতি কৰ্তন কৰা হয়। প্ৰধান কথাটো হৈছে যে ক্ষতিশংকা থকা সম্পূৰ্ণ সম্পত্তিটোৰ বীমা কৰাব লাগিব আৰু বাচি বা পছন্দমতে কৰিব নোৱাৰে।
সেইটো অযুক্তিকৰ ! মই নিজেই যি বিচাৰো সেইটো বীমাই কেৱল কৰিব নোৱাৰিম কিয়? আপুনি কেৱল অধিক কমিছন অৰ্জন কৰিব বিচাৰিছে আৰু মোক ভ্ৰান্ত ধাৰণা দিছে।
ৰঞ্জনে নভবা নিচিন্তাকৈ এজেন্ট সলনি কৰে। এজন এজেন্টে কমিছন শীঘ্ৰে পাবলৈ আৰু গ্ৰাহকৰ বাবে দীৰ্ঘ ম্যাদৰ বাবে কোনো প্ৰতিশ্ৰুতি নোহোৱাকৈ আগবাঢ়ি যাবলৈ বুলি ৰঞ্জনৰ দাবী সমূহ মানি লয়। ৰঞ্জনে তেওঁৰ ঘৰ তথা তাৰ অন্তৰ্ভুক্ত বস্তু যিবোৰৰ মূল্য 15,00,000 টকা সেইবোৰ মাৰ্কেট ভেল্যুৰ ভিত্তিত কেৱল টকা 5,00,000-ত বীমা কৰে। যুক্তিগতভাৱে ক’বলৈ গ’লে সম্পত্তিটো ইয়াৰ দুই-তৃতীয়াংশ মূল্যত আণ্ডাৰইন্সিয়ৰ্ড কৰা হ’ল।
দুৰ্ভাগ্যবশত: এদিন ৰাতিপুৱা ৰঞ্জনৰ চহৰখন বানপানী তথা জলপ্লাৱনৰ দৰে প্ৰাকৃতিক দুৰ্য্যোগে ক্ষতি সাধন কৰিলে।
ৰঞ্জনে শ্ৰীযুত খ (বীমা এজেন্ট) ক জনালে যে তেওঁৰ ঘৰটোৰ প্ৰায় অংশ লগতে ইয়াৰ অন্তৰ্ভুক্ত বস্তুবোৰ নষ্ট হৈ গ’ল। হিচাপটো হ’ল 2 লাখ টকাৰ। বীমা কোম্পানীটোৱে ক্ষতি খিনিৰ ততালিকে আৰু সঠিকভাৱে সমীক্ষা কৰিলে। ক্ষতিৰ পৰিমাণ টকা 1,50,000-ৰ বুলি নিৰ্দ্ধাৰণ কৰা হ’ল। কিন্তু যিহেতু ৰঞ্জনে ইয়াক খুবেই বেছি আণ্ডাৰইন্সিয়ৰৰ্ড কৰিছিল, আগবঢ়োৱা দাবীৰ মূল্য হ’ল কেৱল টকা 50,000। ৰঞ্জন হতভম্ব হ’ল।
ক্ষতিৰ পৰিমাণ হৈছে টকা 1,50,000–ৰ কিন্তু আপুনি মোক কেৱল টকা 50,000 হে কেনেকৈ দিব? মনত ৰাখিব, মই 5 লাখৰ বীমা কৰিছিলো। আপুনি মোক ঠগিব বিচাৰিছে।
কিন্তু চাৰ, সমীক্ষাকাৰীয়ে আপোনাৰ সম্পত্তিটো টকা 15,00,000–ত মূল্যাংকন কৰিছিল কিন্তু আপুনি ইয়াক কেৱল টকা 5,00,000–ৰ বাবেহে বীমা কৰিলে আৰু টকা 10,00,000–ৰ মূল্যৰ প্ৰিমিয়াম ৰাহি কৰিলে। আপোনাক প্ৰেৰণ কৰা পলিচিটোত থকা ‘‘কণ্ডিশ্বন অৱ এভাৰেজ’’ শীৰ্ষক দফাটো অনুগ্ৰহ কৰি চাওক।
মূল এজেন্টজনে ৰঞ্জনক কি কৈছিল তেওঁৰ হঠাতে মনত পৰিল। যদি তেওঁৰ পৰামৰ্শ ৰঞ্জনে পালন কৰিলেহেঁতেন, তেওঁ আজি এই পৰিস্থিতিত ভুগিব লগীয়া নহ’লহেঁতেন।
মনত ৰাখিব! আপুনি বীমা কৰাৰ সিদ্ধান্ত লোৱাৰ সময়ত পলিচিটো বুজি পাবলৈ ব্যয় কৰা সময়খিনি হৈছে ভালদৰে কটোৱা সময়। ক্ৰয় কৰাৰ সময়ত এটা বীমা পলিচিৰ নিয়ম আৰু চৰ্ত বুজি পাবলৈ আপুনি চেষ্টা কৰাটো নিতান্তই প্ৰয়োজন যাতে আপুনি কেৱল নিজৰ অধিকাৰ সমূহতেই নহয় বৰঞ্চ আপোনাৰ কৰ্তব্যৰ ক্ষেত্ৰতো সতৰ্ক হয়।


Bima Bemisaal
আই আৰ ডী এ
irda
ৰঞ্জনে এতিয়া তেওঁৰ হেল্‌থ ইঞ্চিওৰেন্স পলিচি প’ৰ্ট (বহন) কৰিব পাৰে
ৰঞ্জনে XYZ বীমা কোম্পানীৰ হেল্‌থ ইঞ্চিওৰেন্স পলিচিৰ সেৱাত হতাশ হৈছে কিন্তু পলিচিৰ অধীনত সংগৃহীত ক্ৰেডিট হেৰুৱাৰ আশংকাত পলিচিটো ৰাখি থৈছে। যি কি নহওঁক, বীমা কোম্পানীটোৰ অনুপযুক্ততাত তেওঁ নিৰাশ হৈ পৰিছে। এদিন আবেলি চাহ খাওতে তেওঁৰ বন্ধু মোহনক এই কথাৰ আপত্তি দৰ্শায়।
মোহন, মোৰ স্বাস্থ্য বীমা পলিচিটো xyz বীমা কোম্পানীৰ লগত আছে যাৰ সেৱা প্ৰত্যেক বছৰে অৱনমিত হৈছে।
যদি তুমি সুখীয়েই নহয় তেন্তে সেই কোম্পানীটোৰ লগত কিহৰ বাবে বীমা অবিৰত ৰাখিছা? তুমি নেজানা নেকি যে তোমাৰ স্বাস্থ্য বীমা পলিচি এতিয়া প’ৰ্টেবল?
তুমি কি ক’ব বিচাৰিছা, মোৰ পুৰণা পলিচিটো মই এটা নতুন বীমা কোম্পানীলৈ লৈ যাব পাৰো নেকি?
হয়! পলিচিটিটো ‘পৰ্টেবল’ মানে হৈছে যদি তুমি এজন বীমাকৰ্তাৰ পৰা আনজনলৈ সলনি কৰিব বিচাৰা অথবা এটা যোজনাৰ পৰা আন এটা যোজনালৈ যদিহে তোমাৰ পূৰ্বৰ পলিচিটো কোনো বিৰতি নোহোৱাকৈ পৰিচালন কৰি আহিছা তেন্তে তুমি পূৰ্ব–বিদ্যমান অৱস্থা আৰু নিৰ্দ্ধাৰিত সময় বাদ দিয়াৰ পৰা লাভ কৰা ক্ৰেডিট হস্তান্তৰ কৰিব পাৰা।
পলিচি এটা কেতিয়া স্থগিত হয়?
এটা পলিচি তেতিয়া স্থগিত হয় যেতিয়া এটা নিৰ্দিষ্ট বৰ্তমান পলিচিৰ প্ৰিমিয়ামৰ নৱীকৰণ তাৰিখ বা ইয়াৰ পূৰ্বে প্ৰিমিয়াম আদায় দিয়া নহয়। যদি তুমি তোমাৰ পলিচিটো বহন কৰিব বিচাৰা, তেন্তে নতুন কোম্পানীলৈ তোমাৰ বিদ্যমান পলিচিৰ প্ৰিমিয়াম নৱীকৰণ তাৰিখৰ 45 দিনৰ পূৰ্বেই আবেদন কৰা উচিত। তুমি তোমাৰ সকলো নথিপত্ৰ দিয়াৰ 15 দিনৰ ভিতৰত যদি বীমা কোম্পানীটোৱে যোগাযোগ নকৰে, তোমাৰ প্ৰস্তাৱ নাকচ কৰাৰ অধিকাৰ ইয়াৰ নাই।
বঢ়িয়া! এইটো মোৰ বাবে সু–খবৰ।
মনত ৰাখিব, ফেমিলি ফ্ল’টাৰ পলিচিকে অন্তৰ্ভুক্ত কৰি অনা–জীৱন বীমা কোম্পানীৰ দ্বাৰা জাৰি কৰা সকলো ব্যক্তিগত হেল্‌থ ইঞ্চিওৰেন্স পলিচিলৈ পৰ্টেবিলিটি মঞ্জুৰ কৰা হয়।


Bima Bemisaal
আই আৰ ডী এ
irda
ৰঞ্জনে ফ্ৰী লুক পিৰিয়দৰ বিষয়ে শিকিলে
এদিন দেওবাৰে ৰঞ্জনে তেওঁৰ মেজখন পৰিষ্কাৰ কৰোতে XYZ বীমা কোম্পানীৰ এটা বন্ধ খাম পালে। এইটো 6 মাহৰ আগেয়ে তেওঁ ক্ৰয় কৰা জীৱন বীমা পলিচি! তেওঁ ভাবিলে ''ভাল কিনিলো''। এজেন্ট জনে বৰ্ণনা কৰোতে আঁচনিটো সঠিক যেনেই লাগিছিল।
ৰঞ্জনে পলিচিটো পঢ়িবলৈ ল'লে। কিন্তু তেওঁ হতভম্ব হ'ল যে পলিচিটো এজেন্টজনে বৰ্ণনা কৰাৰ দৰে নহয়। এইটো এটা সম্পূৰ্ণ পৃথক পলিচি, তেওঁক কোৱাতকৈ দীৰ্ঘ-ম্যাদী আৰু এটা নিয়মিত প্ৰিমিয়াম পলিচি, কিন্তু এজেন্টে তেওঁক কৈছিল যে ই এটা একক প্ৰিমিয়াম! পিছদিনা ৰঞ্জন বীমা কোম্পানীলৈ যায়।
চাওক... আপোনাৰ এজেন্টে এই পলিচিটো মোক বিক্ৰী কৰিছিল। মই এইটো পলিচি বিচৰা নাছিলো। মই এইটো ঘূৰাব বিচাৰো। অনুগ্ৰহ কৰি মোৰ প্ৰিমিয়াম ঘূৰাই দিয়ক।
চাৰ, আমি এই পলিচিটো ঘূৰাই ল'ব নোৱাৰো। পলিচি পোৱাৰ তাৰিখৰে পৰা 15 দিন পৰ্যন্ত পলিচিটোৰ নিয়ম তথা চৰ্ত পঢ়ি চোৱাৰ বাবে আপোনাৰ হাতত সময় আছিল। সেইটোক ফ্ৰী লুক পিৰিয়দ বুলি জনা যায়। এই পিৰিয়দৰ ভিতৰত যদি আপুনি পলিচিটোৰ নিয়ম আৰু চৰ্তৰ সৈতে সন্মত নহ'লহেঁতেন আপুনি নিয়ম অনুযায়ী পলিচিটো ঘূৰাই দি প্ৰিমিয়াম ঘূৰাই পোৱাৰ বাবে দাবী কৰিব পাৰিলেহেঁতেন।
মই জানো যে দৰাচলতে মই আগেয়েই পলিচিটো পঢ়ি চাব লাগিছিল কিন্তু মোক কিবা এটাৰ বিষয়ে বৰ্ণনা দি বেলেগ এটাহে বিক্ৰী কৰিলে। মোক এটা বিভ্ৰান্তিকৰ পলিচি বিক্ৰী কৰিছে।
যদি বিক্ৰীৰ বিষয়ে আপোনাৰ অভিযোগ আছে, অনুগ্ৰহ কৰি কোম্পানীৰ অভিযোগ কক্ষলৈ গৈ আপোনাৰ গোচৰ দাখিল কৰক। যি কি নহওঁক, আমি এইটো পৰামৰ্শ দিও যে এজন পলিচি ধাৰক হিচাপে আপুনি পোৱা পলিচিটো গমি-পিটি চোৱাটো আৰু আপুনি যি বিচাৰিছে সেইটো পাইছে নে নাই তাক নিশ্চিত কৰাটো আপোনাৰ কৰ্তব্য। 15 দিনৰ ফ্ৰী লুক পিৰিয়দে পলিচিটোৰ নিয়ম তথা চৰ্তসমূহৰ লগত আপুনি সন্মত হয় নে নহয় সিদ্ধান্ত লোৱাৰ বাবে আপোনাক সময় দিয়ে। যদি নহয়, আপুনি সেই সময়ৰ ভিতৰত এই পলিচিটো বাতিল কৰাৰ বাবে আবেদন কৰিব পাৰে।
সকলো বীমা পলিচিৰে ফ্ৰী লুক পিৰিয়দ থাকে নেকি?
চাৰ, সকলো জীৱন বীমা পলিচিৰে ফ্ৰী লুকৰ ব্যৱস্থা থাকে। লগতে সকলো স্বাস্থ্য বীমা পলিচি যাৰ ম্যাদ হৈছে তিনি বছৰ বা ততোধিক, সেইসমূহৰো ফ্ৰী লুক পিৰিয়দ থাকে।
আপোনাৰ পলিচিটো পোৱা মাত্ৰেই ইয়াক ভালদৰে পঢ়ি চাবলৈ নেপাহৰিব তথা এইটো আপুনি বিচৰা পলিচিটো হয় নে নহয় সেইটো ভালকৈ নিৰীক্ষণ কৰিব।


Bima Bemisaal
আই আৰ ডী এ
irda
ৰঞ্জনে প্ৰস্তাৱ প্ৰপত্ৰ পূৰালে
ৰঞ্জনৰ তিনিটা জীৱন বীমা পলিচি আৰু এটা মটৰ বীমা পলিচি আছে। তেওঁ এটা স্বাস্থ্য বীমা কভাৰৰ গুৰুত্ব বুজি পালে আৰু সেয়েহে XYZ বীমা কোম্পানীৰ এজন এজেন্টৰ ওচৰলৈ গ'ল। তেওঁক প্ৰস্তাৱ প্ৰপত্ৰ এখন পূৰাবলৈ দিয়া হ'ল। ৰঞ্জনে কেতিয়াও আগেয়ে এনে এখন প্ৰস্তাৱ প্ৰপত্ৰ পূৰোৱা মনত নপৰে। তেওঁৰ বাবে এজেন্টেই সেই কাম কৰি দিছিল।
এই প্ৰপত্ৰখন পঢ়িবৰ আৰু পূৰাবৰ বাবে মোৰ সময় নাই। অনুগ্ৰহ কৰি মোৰ বাবে পূৰাই দিয়ক– কেৱল মোক কওক ক'ত চহী কৰিব লাগিব... প্ৰপত্ৰ পূৰোৱাটো এটা বৰ কষ্ট কৰ কাম।
কিন্তু চাৰ, প্ৰস্তাৱ প্ৰপত্ৰখন আপুনি নিজেই পূৰাব লাগিব। সকলো উত্তৰ সত্যতাৰে দিবলৈ আপুনি প্ৰশ্নবোৰ মনোযোগেৰে পঢ়ি চাব লাগিব।
চাওক, মই বুজা নাই যে আপুনি এই কথাত কিয় ইমান জোৰ দিছে... মোক কোনেও এনেকৈ আমনি দিয়া নাই... হয়তো মই মোৰ আগৰ এজেন্টজনৰ ওচৰলৈকে যোৱা উচিত।
চাৰ, এবাৰ ভাবি চাওকচোন যদি মই ইয়াৰ প্ৰশ্নবোৰৰ উত্তৰ ভুলকৈ লিখো বা আপুনি প্ৰকৃততে বিচৰা কভাৰটোত চিহ্ন নিদিও..., এটা দাবীৰ ক্ষেত্ৰত আপোনাৰ লোকচান নহ'ব জানো? অশুদ্ধ জাননী হৈছে ভুল তথ্য দিয়াৰ দৰেই আৰু ই আপোনাৰ দাবী নাকচ হোৱাতহে সহায় কৰিব। কিন্তু মই আপোনাৰ লগত বহি আপোনাক প্ৰপত্ৰখন পূৰোৱাত সহায় কৰিব পাৰো।
মই প্ৰথম বাৰৰ বাবে এনে ধৰণৰ পৰামৰ্শ পাইছো আৰু আপোনাৰ সাধুতা তথা ব্যগ্ৰতাৰ মই প্ৰশংসা কৰো। ধন্যবাদ। মই নিশ্চয় প্ৰপত্ৰখন পঢ়ি এতিয়াই ইয়াক পূৰাম।
ৰঞ্জনে প্ৰপত্ৰখন পূৰালে আৰু এইটো উপলব্ধি কৰিলে যে এজেন্টজনে ইয়াত থকা কথাবোৰৰ সবিশেষ কেতিয়াও নেজানিলেহেঁতেন। তেওঁ সিদ্ধান্ত ল'লে যে তেওঁৰ ইতিমধ্যে বিদ্যমান সকলো পলিচিৰ প্ৰস্তাৱ প্ৰপত্ৰসমূহ ফঁহিয়াই চোৱা উচিত। তাত দিয়া উত্তৰ সমূহৰ বাবে তেওঁ চিন্তিত হৈ পৰিল।
মনত ৰাখিব,
বীমা প্ৰস্তাৱ প্ৰপত্ৰ আপুনি নিজেই পূৰাব।


Bima Bemisaal
ৰঞ্জনে লাইচেঞ্চড ইন্টাৰমিডিয়েৰিৰ বিষয়ে জানিলে
আই আৰ ডী এ
irda
ৰঞ্জনে সপ্তাহটোৰ শেষৰ বন্ধত তেওঁৰ বন্ধু মোহনক লগ ধৰিলে
কি খবৰ মোহন, বুজিছা আজি মোক এজন উদ্যমী ব্যক্তিয়ে ফোন কৰিছিল। তেওঁ মোক প্ৰতিশ্ৰুতি দিলে যে মই বিচৰামতে কেৱল এটা জীৱন বীমা পলিচিয়েই নহয় বৰঞ্চ তাৰ লগতে আনকি কিছুমান উদ্‌গনিমূলক পুৰস্কাৰ যেনে জলপানী ইত্যাদিও দিয়াব। এইটো এটা ভাল প্ৰস্তাৱ যেন লাগিছে আৰু ইয়াক মই ল'ম বুলি ভাবিছো।
ৰঞ্জন, ''এজন ব্যক্তি'' মানে কাৰ কথা কৈছা? তুমি সুধিছিলা নে যে তেওঁ এজন লাইচেন্স্‌ড এজেন্ট বা ব্ৰ'কাৰ হয় নে?
নাই, কিন্তু মই বিচৰা পলিচিটো আৰু লগতে কিছুমান অতিৰিক্ত লাভ পালে এইবোৰ কথাৰ কিবা গুৰুত্ব আছে নেকি?
হয়, আছে... নিশ্চয় আছে। প্ৰথমে, তুমি সদায়েই ইঞ্চিওৰেন্স ৰেগুলেটৰী এণ্ড ডেভেলপমেন্ট অথৰিটি (আইআৰডিএ)ৰ অনুজ্ঞাপত্ৰ থকা এজেন্ট বা ব্ৰ'কাৰৰ লগতহে লেনদেন কৰিব লাগে আৰু দ্বিতীয়তে প্ৰত্যক্ষ বা পৰোক্ষভাৱে এটা ৰেহাই আগবঢ়োৱাটোৱেই ইঞ্চিওৰেন্স এক্ট, 1938-ৰ শাখা 41-ৰ অধীনত এটা অপৰাধ এনে নহয়, এনে প্ৰস্তাৱ গ্ৰহণ কৰাটোও আইনমতে এটা জগৰ। আইন মান্য কৰা নাগৰিক হিচাপে এইবোৰৰ দ্বাৰা আমি প্ৰলোভিত হ'ব নেলাগে।
মোহন, মই তোমাৰ সৈতে একমত। মই প্ৰায় পিছল খাইছিলোৱেই।
ৰঞ্জন, মধ্যস্থতাকাৰীৰ বিষয়ে অধিক জাননী প্ৰাপ্তিৰ বাবে, তুমি আইআৰডিএ-ৰ কঞ্জুমাৰ এডুকেশ্যন ৱেবচাইট www.policyholder.gov.in চোৱাটো তোমাৰ বাবে অপৰিহাৰ্য্য। এই ৱেবচাইটৰ পৰা তুমি বীমাৰ লগত সম্পৰ্ক থকা অন্য কথাৰ তথ্যও পাব পাৰা। পলিচি ধাৰকৰ বাবে ইংৰাজী, হিন্দী তথা বিভিন্ন ভাৰতীয় ভাষাত হস্তপুথিও সহজলভ্য।
মোহন, তথ্যখিনি দিয়াৰ বাবে ধন্যবাদ। মই ৱেবচাইটটো নিশ্চয় চাম।
কেৱল অনুজ্ঞাপত্ৰ থকা মধ্যস্থতাকাৰীৰ লগত লেনদেন কৰক। প্ৰৱঞ্চকৰ পৰা সাৱধান।


Bima Bemisaal
আই আৰ ডী এ
irda
ৰঞ্জনে চাৰ্ভেয়ৰৰ বিষয়ে জানিলে
ক্ৰমাগতভাৱে বৃদ্ধি পোৱা ট্ৰেফিকৰ মাজেদি এদিন সন্ধ্যা গৈ থাকোতে ৰঞ্জনৰ এটা তিক্ত অভিজ্ঞতা হ'ল। তেওঁৰ গাড়ীখন এটা ট্ৰেফিক জংচনত এখন লড়ীয়ে পিছফালৰ পৰা খুন্দিয়াই দিলে। তেওঁ গাড়ীখন পথৰ কাষলৈ কোনোমতে নিলে। সৌভাগ্যক্ৰমে গ্ল'ভ কম্পাৰ্টমেন্টত তেওঁৰ বীমা কোম্পানীৰ সবিশেষ আছিল।
হেল্লো! চাৰ, মোৰ নাম হৈছে ৰঞ্জন। আপোনাৰ কোম্পানীৰ সৈতে মোৰ এটা মটৰ বীমা পলিচি আছে। পলিচিৰ নং হৈছে 1234567। মই আপোনাক মোৰ গাড়ীখনৰ এটা দুৰ্ঘটনাৰ কথা জনাব বিচাৰিছো। গাড়ীৰ পঞ্জীয়ন নং হৈছে এবিচি 1234 ।
XYZ Insurance
আপোনাৰ গাড়ীখন এতিয়া কোনখিনি ঠাইত আছে?
মই এতিয়া পথ নং 5- ৰ 4ৰ্থ ট্ৰেফিক জংচনৰ ওচৰত আছো। মই গাড়ীখন চাৰ্ভিচ চেন্টাৰলৈ ৰছিৰে বা শিকলিৰে টানি (ট') নিয়াৰ কথা ভাবিছো।
শ্ৰীযুত ৰঞ্জন, মই আপোনাক অনুৰোধ কৰো যে গাড়ীখন আপুনি লৰচৰ নকৰিব। আপোনাৰ গাড়ীখন আৰু তাৰ ক্ষতিৰ বিষয়ে সমীক্ষা কৰিবলৈ এজন চাৰ্ভেয়ৰ পঠিয়াম।
এজন চাৰ্ভেয়ৰ? তেওঁ কোন আৰু এইটো কথাৰ লগত তেওঁৰ সম্পৰ্ক? মই কেৱল আপোনাৰ লগত লেনদেন কৰিম। মই কোনো তৃতীয় পক্ষৰ লগত লেনদেন কৰিবলৈ নিবিছাৰো।
চাৰ, এজন ইঞ্চিওৰেন্স চাৰ্ভেয়ৰ হৈছে এনে এজন ব্যক্তি যি কোনো বাহন বা যি কোনো অন্য বীমা কৰা বিষয়বস্তুৰ ক্ষতি সমূহ মূল্যাংকন কৰে। আমি নিযুক্তি দিয়া চাৰ্ভেয়ৰজনে আমাৰ হৈ আপোনাৰ গাড়ীখনৰ ক্ষতিসমূহ মূল্যাংকন কৰিব।
কিন্তু তেওঁ কিমান বিশ্বাসযোগ্য? আপুনি এটা তৃতীয় পক্ষৰ বিচাৰত কেনেকৈ বিশ্বাস কৰিব? এই ব্যৱস্থাত মোৰ বিশ্বাস নাই।
শ্ৰীযুত ৰঞ্জন, মই আপোনাক জনাব বিচাৰো যে ইঞ্চিওৰেন্স চাৰ্ভেয়ৰ হৈছে এজন পেছাদাৰী যাক ইঞ্চিওৰেন্স ৰেগুলেটৰী এণ্ড ডেভেলপমেন্ট অথৰিটিয়ে সাধাৰণ বীমা ব্যৱসায়ৰ ক্ষেত্ৰত এজন সমীক্ষাকাৰী আৰু ক্ষতিৰ মূল্যাংকনকাৰী হিচাপে কাৰ্য্য কৰিবৰ বাবে অনুজ্ঞাপত্ৰ দিয়ে। আপুনি নিশ্চিন্ত থাকক কিয়নো আমি নিযুক্তি দিয়া চাৰ্ভেয়ৰজন আইআৰডিএ-ৰ অনুজ্ঞাপত্ৰ-প্ৰাপ্ত ব্যক্তি। তেওঁৰ লগত যোগাযোগ কৰিব পৰা সবিশেষখিনি মই আপোনাক দিছো... আমাৰ কোম্পানীৰ পৰা পোৱা এখন নিযুক্তি পত্ৰ তেওঁৰ হাতত থাকিব।
অ' হয় নেকি। ঠিক আছে তেন্তে, মই দুৰ্ঘটনাস্থলীত তেওঁৰ বাবে বাট চাম। আপোনাৰ শীঘ্ৰ সঁহাৰিৰ বাবে ধন্যবাদ।
মনত ৰাখিব, ইঞ্চিওৰেন্স চাৰ্ভেয়ৰ সকল হৈছে ইঞ্চিওৰেন্স চাৰ্ভেয়ৰ্চ এণ্ড লছ এচেছৰচ (লাইচেঞ্চিং, প্ৰফেছনেল ৰিকুইটমেন্ট্‌চ আৰু ক'ড অৱ কনডাক্ট)ৰেগুলেচন, 2000- ৰ অধীনত বিধান দিয়া মতে চাৰ্ভেয়ৰ আৰু লছ এচেছৰ হিচাপে কাৰ্য্য কৰাৰ বাবে আইআৰডিএ-ৰ দ্বাৰা অনুজ্ঞাপত্ৰ পোৱা পেছাদাৰী।


Bima Bemisaal
irda
ৰঞ্জন টেক চে’ভী হ’ল
ৰঞ্জন ব্যৱসায়িক কামত বিদেশলৈ যাবল’গীয়া হ’ল আৰু তেওঁ ইয়াৰ বাবে পৰিকল্পনা কৰাত ব্যস্ত হৈ পৰিল। যোৱাৰ সময় ওচৰ চাপি অহাৰ লগে লগে তেওঁৰ ভাল বন্ধু মোহনে তেওঁক এটা ভ্ৰমণ বীমাৰ বাবে পৰিকল্পনা কৰিবলৈ ক’লে। সময়ৰ লগত সংগতি ৰাখি ৰঞ্জনে ৱেবৰ জড়িয়তে এটা পলিচিৰ বাবে আবেদন কৰাৰ সিদ্ধান্ত ল’লে।
ৰাধা, মই বস্তুবোৰ বান্ধি লও মানে তুমি ৱেবত এটা ভ্ৰমণ বীমা পলিচি চাই মোক সহায় কৰিবানে? কেৱল কেইটামান চাৰ্চ ইঞ্জিনৰ জড়িয়তে মোক অলপ তথ্য যুগুতাই দিয়া।
ৰঞ্জন, ৱেবত বহুতো তথ্য আছে। এইটো ৱেবচাইট চোৱা, www.xyz.com। কিমান যে ভ্ৰমণ বীমা পলিচি আগবঢ়াইছে। কেৱল আমি বাচি ল’বহে লাগে!
বঢ়িয়া কথা। সবাতোকৈ কম টকাৰটো বাচি লোৱা আৰু কামটো সোনকালে শেষ কৰা... এক চেকেণ্ড ৰ’বাচোন... মই এবাৰ মোহনক সুধি লওঁ।
হেৰা মোহন, মই আৰু ৰাধাই ৱেবত এটা ভ্ৰমণ বীমা পলিচি বিচাৰিছিলো... বহুতো ৱেবচাইট আছে আৰু এইবিলাকে বিভিন্ন বীমা কোম্পানীৰ অন্যান্য পলিচি আগবঢ়াইছে। আমি বুজিব পৰা নাই আৰু দোধোৰ মোধোৰত পৰিছো যে কোনটো বাচি ল’ম?
তোমালোকে এটা ব্ৰ’কাৰৰ ৱেবচাইট চাইছানে? কোম্পানীটোৰ নামত ‘‘ব্ৰ’কাৰ’’ শব্দটো অন্তৰ্ভুক্ত নে?
অ’! নাই, মই নেভাবো যে আছে কাৰণ ‘‘ব্ৰ’কাৰ’’ শব্দটো ক’তোৱেই দেখা পোৱা নেযায়। হয়তো এটা প’ৰ্টেল যিটোৱে বিশেষকৈ বীমা পলিচি সম্পৰ্কীয় তথ্য দিয়ে।
ৰঞ্জন, এনে প’ৰ্টেলৰ পঞ্জীয়নৰ বাবে ইন্সিওৰেন্স ৰেগুলেটৰী এণ্ড ডেভেলপমেন্ট অথ’ৰিটি (আইআৰডিএ) য়ে মাৰ্গদৰ্শন ইচ্ছু কৰিছে। সেইবোৰক ৱেব এগ্ৰিগেটৰ বুলি কোৱা হয়। তুমি চোৱা যি কোনো এনে প’ৰ্টেল আইআৰডিএ-ৰ লগত পঞ্জীভুক্ত হোৱা উচিত। আইআৰডিএ-ৰ সৈতে পঞ্জীভুক্ত নোহোৱা কোনো প’ৰ্টেল বা ৱেবচাইটৰ জড়িয়তে পলিচিৰ বাবে আবেদন নকৰিবা।
মনত ৰাখিবা, কেৱল আইআৰডিএ-ৰ অনুজ্ঞাপত্ৰ-প্ৰাপ্ত ৱেব এগ্ৰিগেটৰেহে বিভিন্ন বীমা কোম্পানীয়ে আগবঢ়োৱা বীমা পলিচিৰ সম্পৰ্কীয় তথ্য প্ৰদান কৰিব পাৰে।


Bima Bemisaal
ৰঞ্জনে কেশ্ব্লেছ চাৰ্জিচৰ বিষয়ে জানিলে
জীৱনটো হৈছে আশ্বৰ্য্যকৰ, কেতিয়াবা ভাল আৰু কেতিয়াবা বেয়া। যদিও ৰঞ্জনে সদায় ৰাতিপুৱা খোজ কাঢ়ে, এদিন হঠাতে কাৰ্য্যালয়ত তেওঁৰ বুকুখন বিষালে। তেওঁ এজন হৃদৰোগ বিশেষজ্ঞৰ পৰামৰ্শ ল'লে যি তেওঁক মাল্টিপল ব্লকৰ বাবে বাই-পাছ চাৰ্জাৰী কৰাবলৈ ক'লে। তেওঁ মোহনৰ ওচৰলৈ গ'ল।
ৰঞ্জন, তোমাক কিয় ইমান চিন্তিত যেন লাগিছে?
মোহন তুমি গম পাইছা যে আজি কাৰ্য্যালয়ত বুকুৰ বিষ হোৱাৰ পিছত মই ডা: জনৰ পৰামৰ্শ ল'লো। তেওঁ মোক এটা বাই–পাছ চাৰ্জাৰী কৰাবলৈ পৰামৰ্শ দিছে।
অস: এইটো দুৰ্ভাগ্যজনক। কিন্তু চিন্তা নকৰিবা, ডা: জন এজন খ্যাতনামা হৃদৰোগ বিশেষজ্ঞ আৰু এতিয়া তেওঁৰ সফলতা উচ্চ শিখৰত।
মই অস্ত্ৰোপচাৰৰ বাবে নহয় কিন্তু অস্ত্ৰোপচাৰটো ব্যয়বহুল হোৱাৰ বাবে পুঁজি গোটোৱাৰ হেতুকে চিন্তিত।
কিন্তু মোৰ যদি ঠিকেই মনত আছে তোমাৰ ছয় বছৰ ধৰি টকা 5 লাখৰ মূল বীমাৰাশিৰ এটা স্বাস্থ্য বীমা পলিচি আছে।
আছে, কিন্তু... মই প্ৰথমতে ব্যয়খিনি বহন কৰিব লাগে। মই ভাবিছো মোৰ কোনটো সম্পত্তি ভঙাব পৰা যাব...
স্বাস্থ্য বীমা দাবীৰ মীমাংসাৰ কেশ্‌লেছ প্ৰকাৰৰ বিষয়ে তুমি নেজানা নেকি? তোমাৰ পলিচি নথিপত্ৰসমূহ চাবাচোন। তোমাৰ নিশ্চয় এখন আইডি কাৰ্ড আছে।
কেশ্‌লেছ (নগদবিহীন) প্ৰকাৰনো কি?


কেশ্বলেছ (নগদবিহীন) সেৱা হৈছে বীমাকৰ্তাই প্ৰদান কৰা এটা বিশেষ সেৱা যাৰ দ্বাৰা এজন ব্যক্তিয়ে এখন চিকিৎসালয়ৰ পৰা ডিছাৰ্জ লোৱাৰ সময়ত চিকিৎসালয়ত ভৰ্ত্তি থকাৰ ব্যয়সমূহ পৰিশোধ কৰাৰ প্ৰয়োজন নহয়। কিছুমান প্ৰক্ৰিয়াৰ অধীনত বীমা কোম্পানীয়ে প্ৰত্যক্ষভাৱে এই ব্যয়সমূহ পৰিশোধ কৰে।
অ'! মোক জনোৱাৰ বাবে ধন্যবাদ, কিন্তু প্ৰক্ৰিয়াটোনো কি?
তেওঁলোকৰ দ্বাৰা জাৰি কৰা আইডি কাৰ্ডখনত তোমাৰ টিপিএ–ৰ সবিশেষ আছে। অনুগ্ৰহ কৰি শীঘ্ৰে টিপিএ–ৰ লগত যোগাযোগ কৰা। যদি তোমাৰ আইডি কাৰ্ড নাই, কেতিয়াবা বীমাকৰ্তাই পলিচি নম্বৰ আৰু পাছপোৰ্ট / পেনকাৰ্ড / ভোটাৰ কাৰ্ড চিনাক্তকৰণৰ বাবে ব্যৱহাৰ কৰি ইয়াৰ ভিত্তিত নগদবিহীন সুবিধা প্ৰদান কৰে। যি কি নহওঁক, তুমি মনত ৰাখিব লাগিব যে নগদবিহীন সুবিধা কেৱল বীমাকৰ্তাৰ / টিপিএ–ৰ নেটৱৰ্ক চিকিৎসালয়ত সহজলভ্য। নেটৱৰ্ক চিকিৎসালয় সমূহ হৈছে সেইবোৰ যি এটা টিপিএ–ৰ সৈতে চুক্তি কৰি নগদবিহীন সুবিধা আগবঢ়ায়।
ৰঞ্জনে টিপিএ-ক যোগাযোগ কৰে আৰু গম পায় যে তেওঁ বিচৰা চিকিৎসালয়খন এখন নেটৱৰ্ক চিকিৎসালয়।
TPA
চিকিৎসালয়খনৰ সেৱা মেজৰ লগত যোগাযোগ কৰক আৰু আপোনাক পৰামৰ্শ দিয়া প্ৰক্ৰিয়াখিনি মানি চলিবলৈ মনত ৰাখিব।
ৰঞ্জনৰ অস্ত্ৰোপচাৰ ভালকৈ হৈ যায়। মোহনে তেওঁৰ খবৰ লয়।
তোমাক সুস্থ দেখা পাই ভাল লাগিছে ৰঞ্জন।
মোহন, স্বাস্থ্য বীমাৰ নগদবিহীন দাবীৰ সময়মতে পৰামৰ্শ দিয়াৰ বাবে মই তোমাৰ ওচৰত কৃতজ্ঞ। কিন্তু মোৰ অন্য এটা সন্দেহ আছে। জৰুৰীকালীনভাৱে চিকিৎসালয়ত ভৰ্ত্তি হ'বলগীয়া হ'লে কি হ'ব? এটা দুৰ্ঘটনা, হৃদৰোগত আক্ৰান্ত ইত্যাদিৰ ক্ষেত্ৰত টিপিএ–ৰ ওচৰলৈ যাবলৈ সময়তো নেথাকে।
তুমি বীমাকৃত ৰোগীজনক চিকিৎসাৰ বাবে চিকিৎসালয়লৈ ততালিকে নিব পাৰা আৰু পৰিয়ালৰ কোনো সদস্যই টিপিএ–ক যোগাযোগ কৰিব পাৰে বা নগদবিহীন সুবিধাৰ অনুমোদন পাবৰ বাবে টিপিএ–ৰ সৈতে যোগাযোগ কৰিবলৈ চিকিৎসালয়ৰ সাহায্য মেজত আইডি কাৰ্ডৰ সবিশেষখিনি দিব পাৰা।
মনত ৰাখিব, প্ৰায়ভাগ স্বাস্থ্যবীমা পলিচিয়েই কেশ্বলেছ (নগদবিহীন) সুবিধা আগবঢ়ায়। ইয়াৰ বাবে আৱশ্যকীয় প্ৰক্ৰিয়া আৰু নথিপত্ৰৰ সৈতে পৰিচিত হওক।

# এই অনুক্ৰমৰ বিষয়ে

আপোনাক কেৱল সাধাৰণ তথ্য দিবৰ বাবে ইঞ্চিওৰেন্স ৰেগুলেটৰী এণ্ড ডেভেলপমেন্ট অথৰিটি (আইআৰডিএ) য়ে এই অনুক্ৰমৰ ৰূপ দিছে। ইয়াত দিয়া তথ্যই এটা বীমা পলিচিৰ নিয়ম আৰু চৰ্তসমূহ সলনি বা অগ্ৰাহ্য নকৰে।

এটা পলিচিৰ নিৰ্দিষ্ট তথ্য বা অন্য কোনো অতিৰিক্ত তথ্যৰ বাবে অনুগ্ৰহ কৰি আইআৰডিএ-ৰ সৈতে পঞ্জীভুক্ত আৰু অনুজ্ঞাপত্ৰ-প্ৰাপ্ত এজেন্ট বা ব্ৰ'কাৰ বা বীমা কোম্পানীৰ লগত যোগাযোগ কৰক।

বীমা নিয়ামক আৰু উন্নয়ন প্ৰাধিকাৰী
INSURANCE REGULATORY AND DEVELOPMENT AUTHORITY
बीमा वर्द्धन, बीमा ग्राहक सुरक्षा

**দাবী পৰিত্যাগ**

এই অনুক্ৰমে আপোনাক কেৱল সাধাৰণ তথ্য প্ৰদান কৰে, আৰু ই সম্পূৰ্ণ নহয়। ই হৈছে এটা শিক্ষামূলক পদক্ষেপ আৰু আপোনাক কোনো আইনগত পৰামৰ্শ প্ৰদান নকৰে।

Designed by Mindset